আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দুখ-কষ্টত পেলায়।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ আল্লাহে যাৰ মঙ্গল বিচাৰে, তাক তেওঁ দুখ-কষ্টত পেলায়।
[ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা উল্লেখ কৰিছে যে, আল্লাহে তেওঁৰ মুমিন বান্দাসকলৰ মাজৰ পৰা যাৰ কল্যাণ বিচাৰে তাক তেওঁ বিভিন্ন ধৰণে পৰীক্ষা কৰে, বেমাৰ আজাৰ, ধন-সম্পদৰ ক্ষতি অথবা পৰিয়ালৰ ফালৰ পৰা কষ্ট প্ৰদান কৰি পৰীক্ষা কৰে, যাতে মুমিন ব্যক্তিয়ে আল্লাহৰ ওচৰত আশ্ৰয় প্ৰাৰ্থনা কৰি দুআ কৰে আৰু গুনাহ মাৰ্জনাৰ কাৰণে লগতে মৰ্যাদা উন্নীত হোৱাৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰে।

http://sunnah.global/hadeeth/as/show/4204